ইতিহাস খণ্ড

আমাৰ অতীত আৰু ঐতিহ্য

আগকথা

ইতিহাস অকল অতীতৰ চহকী ৰাজনৈতিক, আৰ্থ-সামাজিক, সাংস্কৃতিক অৱস্থাৰ ধ্বজা বহনকাৰী ঘটনা প্ৰবাহৰ ধাৰাবাহিক বিৱৰণীয়েই নহয়, কেতিয়াবা মানুহৰ বিপৰ্যয়ৰ কাহিনীবো সাক্ষী হৈ সেই দুঃসহ কাহিনীবোৰৰ বাবে ভৱিষ্যত প্ৰজন্মক অনুসূচনা আৰু আত্ম-সমালোচনা কৰাবো অৱকাশ দিয়ে। শ শ বছৰ অশেষ কষ্টৰ ফলশ্ৰুতিত গঢ়ি উঠা ভাৰতীয় ঐতিহ্য, সংস্কৃতি কেনেকৈ কিছুমান মানুহৰ অদূৰদৰ্শী, অবিবেচক কাৰ্যৰ ফলত বিনষ্ট হৈছিল আৰু সেইবোৰ পুনৰুদ্ধাৰৰ বাবে কেনেকৈ ভৱিষ্যত প্ৰজন্মই সংগ্ৰাম কৰিব লগা হ'ল তাৰেই এটি চমু আভাস *'আমাৰ অতীত আৰু ঐতিহ্য'*ৰ এই খণ্ডটিত প্ৰতিফলিত হৈছে।

সুদূৰ পশ্চিমৰ পৰা আহি ভাৰতত থিতাপি লোৱা আৰু এই দেশৰ মাটি, পানী, বায়ুক নিজৰ বুলি গ্ৰহণ কৰি প্ৰতিষ্ঠা কৰা স্বাধীন মোগল সাম্ৰাজ্য আৰু পূব দিশৰ পৰা আহি অসমত প্ৰতিষ্ঠা কৰা স্বাধীন আহোম ৰাজ্য কেনেকৈ ক্ষুদ্ৰ স্বাৰ্থ, অবিবেচক কাৰ্য, দুৰ্বল মানসিকতাৰ বাবে বৃটিছৰ অধীনস্থ হ'ব লগা হৈছিল আৰু সেই বিদেশী বৃটিছক খেদি ভাৰতৰ জনসাধাৰণে কেনেকৈ অশেষ কষ্ট আৰু ত্যাগেৰে নিজৰ স্বাধীনতা পুনৰুদ্ধাৰৰ চেষ্টা কৰিছিল তাৰেই বৰ্ণনাৰে এই খণ্ডটি সমৃদ্ধ কৰা হৈছে।

আশা কৰা হৈছে এই খণ্ডটিৰ অধ্যয়নৰ অন্তত পাঠকসকলে নিম্নোল্লেখিত অৰ্হতাসমূহ লাভ কৰিব—

- ভাৰতবৰ্ষত নব্য ধৰ্মীয়বাদৰ উত্থান, প্ৰচাৰ আৰু প্ৰসাৰৰ ফলত এই দেশ আধ্যাত্মিক চিন্তা চৰ্চাৰ দিশত কিমান সমৃদ্ধ হ'ল সেই বিষয়ে জানিব পাৰিব।
- দক্ষিণ পূব এছিয়াৰ পৰা অহা আহোমসকলে নিজ সাহস, ধৈৰ্য, বুদ্ধি, সহনশীলতা, দূৰদৰ্শিতাৰ গুণত কেনেকৈ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যবোৰক সামৰি এক সুবিশাল আহোম ৰাজ্য প্ৰতিষ্ঠা কৰি সুদীৰ্ঘ ৬০০ বছৰ ৰাজত্ব কৰিলে তাৰ আভাস পাব।
- মধ্য যুগৰ আহোম আৰু অন্যান্য ৰাজ্যবোৰে অসমৰ আৰ্থ-সামাজিক জীৱনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিসমূহৰ লগত পৰিচয় হ'ব।
- চহকী মোগল সাম্ৰাজ্যলৈ ব্যৱসায় কৰিবলৈ অহা ইউৰোপীয়সকলে কেনেকৈ এই দেশৰ দুৰ্বল দিশসমূহৰ সুযোগ গ্ৰহণ কৰি সাম্ৰাজ্য প্ৰতিষ্ঠাৰ বাবে প্ৰতিদ্বন্দ্বিতাত লিপ্ত হ'ল আৰু পৰৱৰ্তীকালত কেনেকৈ ভাৰতক বৃটিছৰ উপনিৱেশলৈ ৰূপান্তৰিত কৰিলে সেই কথা বুজি পাব।
- শাসকৰ মাজৰ দ্বন্দ্ব, স্বাৰ্থপৰতা, অদূৰদৰ্শিতাৰ ফলত কেনেকৈ একোটা স্বাধীন চহকী জাতিৰ অস্তিত্ব বিপন্ন হৈ পৰে আৰু তাৰ ফলত জনসাধাৰণে ভোগা অবৰ্ণনীয় দুৰ্দশাৰ বিষয়ে অনুধাৱন কৰিব।
- বৃটিছ উপনিৱেশৰ সময়ত ভাৰতৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় দিশত ঘটা নৱজাগৰণৰ বিষয়ে কিছু জ্ঞান লাভ কৰিব।
- চিপাহী বিদ্ৰোহৰ কাৰণ, বিস্তৃতি, নেতৃত্ব আৰু প্ৰকৃতিৰ লগত পৰিচয় হ'ব।

পাঠ - ৯

নব্য ধৰ্মীয় ভাৱধাৰাৰ উত্থান

4KTVJH

মূল অৰ্হতা ঃ

- ভাৰতত উদ্ভৱ হোৱা ধৰ্মীয় বিবৰ্তনৰ কাৰণ, প্ৰকৃতি আদিৰ বিষয়ে চমু ধাৰণা লাভ কৰিব।
- মধ্যযুগৰ সামাজিক পটভূমি আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে জানিব।
- ভক্তিবাদ আৰু চুফিবাদ এই দুই নব্য ভাৱধাৰাৰ বিষয়ে বুজিব পাৰিব।
- ভাৰতৰ বিভিন্ন স্থানত ভক্তিবাদৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বিষয়ে জ্ঞান লাভ কৰিব।
- শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্মই অসমীয়া সমাজলৈ আগবঢ়োৱা অৱদানৰ সৈতে পৰিচয় হ'ব।

চিত্ৰ ৯.১

ওপৰৰ ছবি কেইখনলৈ মন কৰাচোন ! এইবোৰ বৰ্তমান সময়ত তোমালোকে দেখা পোৱা বিভিন্ন ধৰ্মীয় উৎসৱ পাৰ্বনত মানুহে ভগৱানৰ কৃপা লাভ কৰিবলৈ কৰা বিভিন্ন মাধ্যমৰ ছবি। ইয়াত কিছুমানে নাম-কীৰ্তন কৰি, কিছুমানে পূজা-অৰ্চনা কৰি, আন কিছুমানে আকৌ মৌনভাৱে প্ৰাৰ্থনা কৰি ভগৱানৰ আশিস কামনা কৰিছে। এনেকুৱা ভগৱৎ ভক্তি মূলত ৮ম শতিকাৰ পৰা আৰম্ভ হোৱা ভক্তি আন্দোলন আৰু চুফি আন্দোলনৰ পৰম্পৰাগত পদ্ধতি আছিল।

ভাৰতত ধৰ্মীয় বিবৰ্তন ঃ

ভাৰতত মৌৰ্য সাম্ৰাজ্য উত্থানৰ আগেয়ে মানুহে পৰম্পৰাগতভাৱে বিভিন্ন দেৱ-দেৱী, জীৱ-জন্তু, গছ-লতা আদিক পূজা-অৰ্চনা কৰিছিল। নগৰ-চহৰৰ উত্থান, ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণ আৰু সাম্ৰাজ্য স্থাপনৰ লগে লগে মানুহৰ মাজত সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্তনে দেখা দিয়ে। ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণে মানুহক বৃত্তিমুখী কৰি তোলাৰ লগতে অৰ্থনৈতিকভাৱে টনকিয়াল কৰি তুলিছিল। এনেদৰে ক্ৰমাগতভাৱে সলনি হ'বলৈ ধৰা সমাজত নতুন আৰু প্ৰাচীন চিন্তা-ধাৰাৰ মাজত সংঘাতে দেখা দিছিল। সামাজিক ক্ষেত্ৰত উচ্চ-নীচৰ ব্যৱধান, সম্ভ্ৰান্তসকলৰ একচেটিয়া সা-সুবিধা, কঠোৰ ধৰ্মীয় নীতি-নিয়মসমূহ মানুহে ক্ৰমান্বয়ে মানিবলৈ টান পাই আহিছিল। সেয়েহে মানুহৰ মনত নতুন ধৰ্মীয় আৰু

সামাজিক চিন্তাধাৰাৰ ভাব আহি পৰিছিল। বিভিন্ন অঞ্চলত তপস্বী, দাৰ্শনিক আৰু চিন্তাবিদে নতুন নতুন ধৰ্মীয় ভাবধাৰাৰ সৃষ্টি কৰি প্ৰচাৰ কৰিছিল। ইয়াৰ ভিতৰত জৈন আৰু বৌদ্ধ ধৰ্মৰ ভাবধাৰাই মানুহক বিশেষভাৱে আকৰ্ষিত কৰিছিল। কাৰণ এই দুই ধৰ্মত কৈছিল যে ব্যক্তিগত চেষ্টাৰ দ্বাৰা কঠোৰ অনুশাসন আৰু সংযমৰ জৰিয়তে মানুহে পাৰ্থিব লোভ, মোহ, স্বাৰ্থৰ উৰ্ধত থাকি মোক্ষ লাভৰ চিন্তা কৰিব লাগে।

ক্ৰিয়াকলাপ ঃ

- তোমালোকৰ ওচৰে-পাজৰে কি কি ধৰ্মীয় অনুষ্ঠান আছে? তাত কেনে ধৰণে ভগৱানক প্ৰাৰ্থনা কৰা হয়? দলত আলোচনা কৰি লিখা।
- অসমৰ কোনসকল লোক বৌদ্ধ ধৰ্মাৱলম্বী? শিক্ষকৰ সহায়ত জানি লৈ তাৰ এখন তালিকা প্ৰস্তুত কৰা।

'ভগৱানৰ প্ৰতি একান্ত ভক্তিয়েই মানুহক সকলো বান্ধোনৰ পৰা মুক্তি দিয়ে' ভাগৱত গীতাৰ এই আদৰ্শও সেই সময়ত বেছি জনপ্ৰিয় হৈ উঠিছিল। পিছলৈ হিন্দু ধৰ্মৰ পুনৰ উত্থানৰ লগে লগে শিব, বিষ্ণুৰ লগতে স্থানীয় অন্যান্য দেৱদেৱীবো পূজা-অৰ্চনা সমান্তৰালভাৱে চলিছিল। উল্লেখযোগ্য যে পুৰাণৰ পূজা পদ্ধতিও এই সময়ত জনপ্ৰিয় হৈ উঠিছিল। **একান্ত ভক্তিৰ যোগেদি ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৱে ভগৱানক লাভ কৰিব পাৰে—** পুৰাণসমূহেও এই আপ্ত বাক্য মানি লৈছিল। ভক্তিৰ ধাৰণা ইমানেই জনপ্ৰিয় হৈ উঠিছিল যে বৌদ্ধ আৰু জৈন ধৰ্মাৱলম্বীসকলেও এই কথা স্বীকাৰ কৰি লৈছিল।

চিত্ৰ ৯.২ ভাগৱত গীতাৰ শ্লোক

ভক্তিবাদনো কি ?

আভিধানিক অৰ্থত **ভক্তি** বোলোতে ঈশ্বৰৰ প্ৰতি গভীৰ আনুগত্য আৰু শ্ৰদ্ধাক বুজায়। পুজনীয়সকলৰ প্ৰতি শ্ৰদ্ধা দেখুৱাকো ভক্তি বুলি কোৱা হয়। ভাৰতীয় সংস্কৃতিৰ গৌৰৱময় দিশবোৰৰ ভিতৰত অন্যতম হ'ল ভক্তি। ভক্তি হ'ল এক মানসিক অৱস্থা। ইয়াৰ যোগেদি ভক্তই ভগৱানৰ ওচৰত নিজকে সমৰ্পণ কৰি ঐশ্বৰিক আনন্দ লাভ কৰে। বৈদিক সাহিত্যৰ উপনিষদত পোন প্ৰথমে ভক্তি শব্দৰ উল্লেখ পোৱা যায়। ভগৱানৰ লগত মানৱ আত্মাৰ মিলন, ঈশ্বৰৰ প্ৰতি অগাধ প্ৰেম তথা ভক্তিৰ ওপৰত গুৰুত্ব দি মহাপুৰুষসকলে যি মতবাদৰ সৃষ্টি কৰিছিল সেয়াই ভক্তিবাদ।

ভক্তিবাদৰ উত্থান ঃ

খৃষ্টীয় সপ্তম শতিকাৰ পৰা দাক্ষিণাত্যৰ তামিল ৰাজ্যত আলভাৰচ্ আৰু নায়নাৰ নামৰ সম্প্ৰদায় দুটাই ভক্তিবাদৰ ধাৰণাৰে সামাজিক জাগৰণ আনিবলৈ প্ৰয়াস কৰিছিল। আলভাৰচ্সকল বৈষ্ণৱ পন্থী আছিল। আনহাতে নায়নাৰসকল

শৈবপন্থী আছিল। আলভাৰচ্‌সকল বিষ্ণু উপাসক হোৱা বাবে তেওঁলোকৰ মতে বিষ্ণু শ্ৰেষ্ঠ আৰু সৃষ্টিৰ মূল। অহং ভাববোৰ ত্যাগ কৰি ভগৱানৰ ওচৰত নিজকে উৎসৰ্গা কৰিব পাৰিলে মোক্ষ লাভ হয়। মানুহৰ মাজতে ভগৱানক পাব পাৰি। গতিকে জীৱ প্ৰেমেই ভগৱৎ প্ৰেমৰ আধাৰ। এনেদৰে আলভাৰচ্‌সকলে ভাৰতীয় সংস্কৃতিত বৈষ্ণৱ আন্দোলনৰ নতুন ধাৰা এটি সংযোজন ঘটালে। তেওঁলোকে ভক্তিবাদৰ ধাৰণাবোৰক গীত-মাতৰ জৰিয়তে প্ৰচাৰ কৰিছিল। দাক্ষিণাত্যত এই ভক্তি আন্দোলনৰ ধাৰা খ্ৰীষ্টীয় ১১ শতিকা পৰ্যন্ত বৰ্তি আছিল। সেই সময়ত ইয়াৰ মুখ্য পৃষ্ঠপোষক আছিল **ৰামানুজ**।

> **জানি থওঁ আহা**
>
> - আলভাৰচ্‌ আৰু নায়নাৰ সম্প্ৰদায়ৰ ভক্তি আন্দোলনত শ্ৰমিক, কৃষক, কুমাৰ, চিকাৰী, সৈনিক, ব্ৰাহ্মণ আনকি অস্পৃশ্য লোকসকলো জড়িত হৈ আছিল।
> - আলভাৰচ্‌সকলৰ গীত-মাত, মৌখিক সাহিত্যৰ কীৰ্তিৰাজি পৰৱৰ্তী কালত সংকলিত ৰূপত প্ৰকাশ পায়। আলভাৰচ্‌সকলৰ এই সংকলিত সাহিত্য সম্ভাৰকে **'দিব্য প্ৰবন্ধম'** বুলি কোৱা হয়।

আলভাৰচ্‌ আৰু নায়নাৰসকলৰ সমসাময়িকভাৱে দক্ষিণৰ কেৰালা ৰাজ্যতো ভক্তিৰ ওপৰত শঙ্কৰাচাৰ্যৰ নেতৃত্বত এক দাৰ্শনিক ধৰ্মীয় মতবাদৰ উত্থান হৈছিল। শঙ্কৰাচাৰ্য আছিল অদ্বৈতবাদত বিশ্বাসী। তেওঁৰ মতে আত্মা আৰু পৰমাত্মাৰ মাজত কোনো পাৰ্থক্য নাই। মানুহৰ মাজতে ভগৱান বিদ্যমান। **সৎজ্ঞান আৰু সৎকৰ্মৰ** যোগেদি মানুহে মুক্তি লাভ কৰিব পাৰে। এইটোৱেই অদ্বৈতবাদৰ মূল কথা।

এইদৰে ভক্তিবাদৰ নতুন নতুন ধ্যান-ধাৰণাই ভাৰতীয় সমাজ আৰু সংস্কৃতিত প্ৰভাৱ বিস্তাৰ কৰিলে। ক্ৰমান্বয়ে ভক্তিবাদৰ পৰিসৰ বহল হ'ল। ঈশ্বৰৰ প্ৰতি থকা শ্ৰদ্ধাকে কেৱল ভক্তি বুলি নাভাবি ঐশ্বৰিক শক্তিৰ উপাসনাৰ মাধ্যমেৰে সমাজ-সংস্কাৰ কৰি সৰ্ব-সাধাৰণৰ সকলো প্ৰকাৰৰ কল্যাণ সাধন কৰা কাৰ্যকো ভক্তিৰ অন্তৰ্ভুক্ত বুলি বিবেচনা কৰা হ'ল। মধ্য যুগত এনেধৰণৰ ভক্তিবাদী আন্দোলনে উত্তৰ আৰু উত্তৰ-পূব ভাৰতত বিস্তৃত ৰূপত প্ৰকাশ পায়। এইদৰে সমগ্ৰ ভাৰততে ভক্তিবাদ জনপ্ৰিয় হৈ উঠে।

> **ক্ৰিয়াকলাপ ঃ**
>
> - ঈশ্বৰৰ আশিস লাভৰ বাবে আড়ম্বৰপূৰ্ণ পূজা-অৰ্চনাৰ প্ৰয়োজন আছে বুলি ভাবানে? যুক্তি আগবঢ়োৱা।

মধ্যযুগত ভাৰতত কিছুমান নতুন নতুন প্ৰত্যাহ্বান আহি পৰিছিল যাৰ ফলত ভক্তি বিষয়ক অনেক মতবাদে সেই সময়ত আধ্যাত্মিক আৰু বৌদ্ধিক জাগৰণৰ সৃষ্টি কৰিছিল। হিন্দু ধৰ্মৰ কঠোৰ নীতি-নিয়ম, জাতি ভেদ প্ৰথা, উচ্চ-নীচ, ধনী-দুখীয়া আদি পাৰ্থক্যই সমাজৰ নিম্ন শ্ৰেণীৰ জনসাধাৰণক বাৰুকৈয়ে অতিষ্ঠ কৰি তুলিছিল। তেওঁলোকে সততে ইয়াৰ পৰা মুক্তি বিচাৰিছিল। শঙ্কৰাচাৰ্যৰ দৰে পণ্ডিতসকলে এই ক্ষেত্ৰত পথ দেখুৱালেও তেওঁলোকৰ দাৰ্শনিক মতবাদ সৰ্বসাধাৰণ লোকৰ বিশেষ বোধগম্য হোৱা নাছিল।

অন্যহাতেদি খ্ৰীষ্টীয় নৱম শতিকাৰপৰা ভাৰতত ইছলাম ধৰ্মাৱলম্বী তুৰ্কী-আফগানসকলৰ আৱিৰ্ভাৱ ঘটিছিল। ক্ৰমান্বয়ে ভাৰতত এওঁলোকৰ শাসন নিগাজী হ'বলৈ ধৰে। সেই সময়তে মধ্য এছিয়াৰ কিছু সংখ্যক ইছলাম ধৰ্মৰ প্ৰচাৰকবো ভাৰতত প্ৰৱেশ ঘটিছিল। এওঁলোকে ভাৰতত ইছলাম ধৰ্ম প্ৰচাৰত মনোনিবেশ কৰিলে। চুলতানসকলৰো অনুগ্ৰহ তেওঁলোকে লাভ কৰিছিল। ইছলাম ধৰ্মত আড়ম্বৰপূৰ্ণ যাগ-যজ্ঞ আৰু মূৰ্তি পূজা নাই। এই ধৰ্মত এজন ঈশ্বৰক (আল্লা) উপাসনা কৰা হয় আৰু ঈশ্বৰৰ চকুত সকলো সমান। ফলত হিন্দু সমাজৰ একাংশ অৱহেলিত লোকো এই ধৰ্মৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰে।

এনে এক পটভূমিতে হিন্দু ধৰ্ম আৰু সমাজ সংস্কাৰৰ প্ৰয়োজনীয়তা আহি পৰে। ফলশ্ৰুতিত খ্ৰীষ্টীয় ১৩ শতিকাৰ পৰা ১৬ শতিকাৰ ভিতৰত বহুকেইজন দাৰ্শনিক, পণ্ডিত আৰু সমাজ সংস্কাৰকৰ নেতৃত্বত ভাৰতৰ বিভিন্ন প্ৰান্তত ভক্তিবাদ

বিষয়ক এক আন্দোলন গঢ়ি উঠে। কাষৰ মানচিত্ৰখনলৈ মন কৰিলে ক'ত কোনে এই ভক্তি আন্দোলন গঢ়ি তুলিছিল তাক জানিব পাৰিবাহক। ভক্তিবাদ আন্দোলনৰ মূল কথা হ'ল ঈশ্বৰ বা সৃষ্টি কৰ্তা এজন তেওঁ সৰ্বশক্তিমান আৰু সৰ্বজ্ঞ। মানুহে ইহ সংসাৰত দুখ যাতনাৰ পৰা পৰিত্ৰান পাবলৈ হ'লে ভক্তিভাৱে ভগৱানৰ নাম আৰাধনা কৰিলেই যথেষ্ট। ভগৱানৰ ওচৰত ধনী-দুখীয়া, উচ্চ-নীচ আদিৰ কোনো প্ৰভেদ নাই। হিন্দু ধৰ্মৰ নিচিনাকৈ ইছলাম ধৰ্মতো একে সময়তে এক উদাৰনৈতিক মতবাদে গঢ় লৈ উঠিছিল। ইয়াক 'চুফিবাদ' নামে জনা যায়।

চিত্ৰ ৯.৩ ভাৰতৰ বিভিন্ন স্থানত ভক্তিবাদৰ প্ৰচাৰকসকল

ক্ৰিয়াকলাপ

- কি কাৰণে মধ্য যুগত একাংশ হিন্দুলোক ইছলাম ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিল? দলত আলোচনা কৰা।

উত্তৰ-পশ্চিম ভাৰতত নব্য ধৰ্মীয় আন্দোলনৰ প্ৰচাৰকসকল



চিত্ৰ ৯.৪ জ্ঞানদেৱ

উত্তৰ পশ্চিম ভাৰতৰ মহাৰাষ্ট্ৰত জ্ঞানেশ্বৰ বা জ্ঞানদেৱৰ (১২৭১-৯৫) নেতৃত্বত খ্ৰীষ্টীয় ১৩ শতিকাত ভক্তি আন্দোলনৰ এক ধাৰা গঢ় লৈ উঠিছিল। জ্ঞানদেৱে গীত-মাতৰ দ্বাৰাই ভগৱানৰ ভক্তিৰ বাণী জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল। প্ৰচলিত সমাজ ব্যৱস্থাৰ জাতিভেদ প্ৰথা, ধনী-দুখীয়া আদি বৈষম্যবোৰ আঁতৰ কৰি সহজ-সৰল আৰু বন্ধুত্বপূৰ্ণ জীৱন যাপনত গুৰুত্ব দিছিল। সকলো মানুহৰ গাতে যে ভগৱান বিদ্যমান সেই কথা জনসাধাৰণৰ মাজত উপস্থাপন কৰিছিল। জ্ঞানদেৱৰ এই বাণী পৰৱৰ্তী কালত নামদেৱ, একনাথ, টুকাৰাম, ৰামদাস আদি ভক্তিবাদৰ উদ্যোক্তাসকলৰ নেতৃত্বত বিভিন্ন অঞ্চললৈ বিয়পি পৰিছিল।

সমসাময়িকভাৱে গুজৰাট আৰু ৰাজস্থানতো ৰবিদাস, দাদু দয়াল আৰু মীৰাবাঈৰ নেতৃত্বত অন্য এক ভক্তিবাদৰ ধাৰা গঢ় লৈ উঠিছিল। মীৰাবাঈয়ে ভজন-কীৰ্তনৰ জৰিয়তে ভগৱানৰ গুণানুকীৰ্তন জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল সৰ্বসাধাৰণ লোকক এই ভক্তি মাৰ্গে বিশেষভাৱে আকৰ্ষিত কৰিছিল।

চিত্ৰ ৯.৫ মীৰাবাঈ

উত্তৰ ভাৰতত ভক্তি আন্দোলন ঃ

উত্তৰ ভাৰতত বিশেষকৈ হিন্দীভাষী অঞ্চলত ভক্তিবাদ আন্দোলনৰ প্ৰচাৰক আছিল **ৰামানন্দ**। তেওঁ এগৰাকী পণ্ডিত আৰু সমাজ সংস্কাৰক আছিল। এওঁৰ ভক্তি মাৰ্গৰ মূল উপাস্য দেৱতা আছিল বিষ্ণুৰ অৱতাৰ **ৰাম**। তেওঁ **ধৰ্মৰ** দুৱাৰ সকলো শ্ৰেণীৰ লোকলৈ মোকলাই দিছিল। তেওঁ হিন্দী ভাষাত কবিতা ৰচনা কৰি ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। তেওঁৰ শিষ্যসকলৰ অন্যতম আছিল **কবীৰ**।

কবীৰ মুছলমান তাঁতী পৰিয়াল এটাত ডাঙৰ-দীঘল হৈছিল। অন্যান্য ভক্তিমাৰ্গৰ সাধকসকলৰ দৰে তেওঁ এক ভগৱানৰ উপাসক আছিল। ভগৱানক তেওঁ ৰাম, হৰি, আল্লা, খোদা আদি বিভিন্ন নামেৰে অভিহিত কৰিছিল। ৰামানন্দৰ দৰে কবীৰেও কবিতাৰ যোগেদিও ভক্তি ধৰ্ম প্ৰচাৰ কৰিছিল। তেওঁ ৰচনা কৰা ভক্তি মাৰ্গৰ কবিতাসমূহক **'দোহা'** বোলা হৈছিল। সাধাৰণ লোকৰ মাজত কবীৰ ইমানেই জনপ্ৰিয় আছিল যে তেওঁৰ সমসাময়িক মুছলমানসকলে তেওঁক **চুফি সাধক** আৰু হিন্দুসকলে **ৰাম ভক্ত** বুলি স্বীকাৰ কৰিছিল। হিন্দু-মুছলমান উভয় ধৰ্মৰ লোকে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল।

চিত্ৰ ৯.৬ কবীৰ

জানি থওঁ আহা

- কবীৰৰ দোহাসমূহ হিন্দী সাহিত্যৰ অমূল্য সম্পদ। এই দোহা সমূহৰ কিছু অংশ শিখ ধৰ্ম গ্ৰন্থ **গুৰুগ্ৰন্থচাহিবত** চামিল কৰা হৈছিল।
- কবীৰ পৰম বৈষ্ণৱ বুলি শঙ্কৰদেৱে মাধৱদেৱক কোৱা কথা **গুৰুচৰিত** পুথিত উল্লেখ আছে।

সুৰদাস আৰু তুলসীদাস ভক্তি আন্দোলনৰ অন্য দুজন উল্লেখযোগ্য প্ৰবক্তা আছিল। তুলসীদাস ৰামানন্দৰ এজন সাৰ্থক উত্তৰাধিকাৰী আছিল। তেওঁ সৰ্বসাধাৰণ লোকৰ কথিত ভাষাত **'ৰামচৰিত-মানস'** ৰচনা কৰি প্ৰচাৰ কৰিছিল। উত্তৰ ভাৰতত **'ৰামচৰিত মানস'** ইমান জনপ্ৰিয় হৈছিল যে মানুহে তুলসী দাসক বাল্মিকীৰ অৱতাৰ বুলি গণ্য কৰিবলৈ লৈছিল।

উত্তৰ ভাৰতত ভক্তি মাৰ্গৰ প্ৰচাৰ কৰোতাসকলৰ অন্যতম এজন আছিল

গুৰু নানক। এওঁক কবীৰৰ ভক্তিমাৰ্গে বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল। নানকে হিন্দু ধৰ্মৰ মূৰ্তি পূজা কৰা পদ্ধতি আৰু জাতিভেদ প্ৰথা বিশ্বাস নকৰিছিল। তেওঁৰ মতে ঈশ্বৰ এজন তেওঁ অদ্বিতীয় আৰু নিৰাকাৰ। গুৰু নানকৰ শিষ্যসকলক পৰৱৰ্তী কালত শিখ বুলি অভিহিত কৰা হয়। শিখ ধৰ্মৰ উত্থান ভক্তিবাদ আন্দোলনৰ অন্য এক গুৰুত্বপূৰ্ণ দিশ আছিল।

উত্তৰ-পূব ভাৰতত ভক্তি আন্দোলন ঃ

চিত্ৰ ৯.৭ চৈতন্য দেৱ

দ্বাদশ শতিকাৰ শেষাৰ্ধত জয়দেৱৰ গীত-গোবিন্দৰ মাধ্যমত উত্তৰ পূব ভাৰতৰ বংগদেশত ভাগৱত কেন্দ্ৰিক ভক্তি আন্দোলনে প্ৰসাৰতা লাভ কৰিছিল। গীত গোবিন্দত শ্ৰীকৃষ্ণৰ লীলাৰ প্ৰশংসা আৰু গৰিমা প্ৰচাৰ কৰা হৈছে। বংগদেশত ভক্তিমাৰ্গক সু-সংহত ৰূপত সজাইছিল **চৈতন্য দেৱে**। ভাৰতৰ বিভিন্ন তীৰ্থ স্থানসমূহ যেনে— পান্ধাৰপুৰ, সোমনাথ, বৃন্দাবন, দ্বাৰকা, মথুৰা, পুৰী ভ্ৰমণ কৰি আহি তেওঁ বংগদেশত বৈষ্ণৱ ভক্তি ধৰ্ম প্ৰচাৰ কৰে। কৃষ্ণৰ উপাসক চৈতন্য দেৱে জাতিভেদ বিশ্বাস নকৰিছিল আৰু ভগৱানৰ গুণানুকীৰ্তন সংকীৰ্তনৰ জৰিয়তে প্ৰচাৰ কৰিছিল। এওঁৰ উপৰি মাধৱাচাৰ্য, বল্লাভাচাৰ্য আদি পণ্ডিতসকলে উত্তৰ-পূব ভাৰতত ভক্তিবাদ আন্দোলনৰ প্ৰসাৰত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।

অসমত ভক্তিবাদৰ প্ৰচাৰ ঃ

খ্ৰীষ্টীয় পঞ্চদশ শতিকাত অসমত শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত ভক্তি আন্দোলনে গঢ় লৈ উঠে। সেই সময়ত অসমত ধৰ্মৰ নামত কঠোৰ নীতি নিয়ম আৰু কু-সংস্কাৰে গা-কৰি উঠিছিল। তাৰোপৰি জাতিভেদ প্ৰথাই সৰ্বসাধাৰণ মানুহৰ ধৰ্ম সাধনাত যথেষ্টখিনি বাধাৰ সৃষ্টি কৰিছিল। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো মানুহৰ পথ সুগম কৰিবৰ বাবে এক সহজ-সৰল ধৰ্ম মতৰ অতি আৱশ্যক হৈ পৰিছিল। তেনে এক পটভূমিত ১৪৪৯ খ্ৰীষ্টাব্দত অসমীয়া কলা-সংস্কৃতিৰ প্ৰাণস্বৰূপ শংকৰদেৱৰ জন্ম হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম স্থান হ'ল বৰদোৱাৰ ওচৰৰ আলিপুখুৰী অঞ্চল।



চিত্ৰ ৯.৮ শ্ৰীমন্ত শংকৰদেৱ (আনুমানিক অঙ্কন)

ভাৰতৰ প্ৰসিদ্ধ তীৰ্থস্থানবোৰ ভ্ৰমণ কৰি শ্ৰীমন্ত শংকৰদেৱে হিন্দু ধৰ্মৰ মূল ধৰ্ম-শাস্ত্ৰবোৰ খৰচি মাৰি অধ্যয়ন কৰিছিল। ভাগৱত পুৰাণকে সকলোৱে মূল বুলি মতপোষণ কৰি তেওঁ অসমত ভক্তি আন্দোলনৰ পাতনি মেলিছিল। শংকৰদেৱ একেশ্বৰবাদত বিশ্বাসী আছিল। ভগৱানৰ নিৰাকাৰ ৰূপেই তেওঁৰ মতবাদৰ মূল কথা। মানৱীয় প্ৰমূল্য আৰু অহিংসা হ'ল শংকৰদেৱৰ মতাদৰ্শৰ প্ৰধান বিষয়বস্তু। এই ধৰ্মমতে জাতি, ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহৰে ভগৱানৰ ওচৰত পূজা অৰ্চনা কৰাৰ সমান অধিকাৰ আছে। মোক্ষ লাভৰ বাবে আড়ম্বৰপূৰ্ণ যাগ-যজ্ঞ, বলি-বিধান আদিৰ কোনো প্ৰয়োজন নাই। ঈশ্বৰৰ ওচৰত একান্ত বিশ্বাস তথা নাম ভক্তিৰ দ্বাৰাই মানুহে মুক্তি লাভ কৰিব পাৰে। শংকৰদেৱৰ ভক্তিবাদে অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজত প্ৰসাৰ লাভ কৰে। ভক্তিবাদৰ ধাৰণাৰে তেওঁ অসমীয়া সমাজখনক নকৈ গঢ়ি তুলিলে। অসমীয়াৰ সামাজিক জীৱনটো একত্ৰিত কৰিবলৈ তেওঁ সমতা, সহিষ্ণুতা আৰু অহিংসাৰ বাণী প্ৰচাৰ কৰিছিল। ভক্তিবাদক আশ্ৰয় কৰি তেওঁ **বৈষ্ণৱ ধৰ্ম** প্ৰচাৰ কৰাৰ লগতে সমাজ সংস্কাৰতো মনোনিৱেশ কৰিছিল। ধৰ্মক জনসাধাৰণৰ অধিক কাষ চপাবলৈ শংকৰদেৱে সংস্কৃতৰ সলনি ব্ৰজাৱলী আৰু অসমীয়া ভাষাত ধৰ্ম শাস্ত্ৰবোৰ ৰচনা কৰিছিল। সামাজিক একতা আৰু সম্প্ৰীতিৰ বান্ধ সুদৃঢ় কৰিবলৈ তেওঁ বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ

ব্যৱস্থা কৰিছিল। সামাজিক সমতা আৰু সকলো সম্প্ৰদায়ৰ উমৈহতীয়া অংশগ্ৰহণ নিশ্চিত কৰি তেওঁ বৃহৎ অসমৰ ভাষা আৰু ক'লা-সংস্কৃতিৰ বহল ক্ষেত্ৰখন গঢ়ি তুলিছিল। শংকৰদেৱৰ সেই সাধনাৰ মূল বিষয়বস্তু আছিল অসমীয়া ভাষাৰ বিকাশ, ক'লা-সংস্কৃতিৰ ধাৰাবাহিক চৰ্চা আৰু ভক্তিবাদৰ প্ৰসাৰ। তেওঁ হ'ল প্ৰকৃতাৰ্থত অসমীয়া জাতিৰ কাণ্ডাৰী, অসমীয়া ভাষা আৰু কলা-সংস্কৃতিৰ অন্যতম প্ৰতিষ্ঠাপক।

ক্ৰিয়াকলাপ ঃ

- শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা পুথিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। (প্ৰয়োজন বোধে অভিভাৱক আৰু শিক্ষকৰ সহায় ল'বা)।

চুফিবাদ আন্দোলন ঃ

হিন্দু ধৰ্মৰ ভক্তিবাদ আন্দোলনৰ দৰে ইছলাম ধৰ্মৰ চুফিবাদ আন্দোলনেও মধ্যযুগৰ ভাৰতত হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মাজত সমাদৰ লাভ কৰিছিল। খ্ৰীষ্টীয় একাদশ শতিকাত মধ্য এছিয়াৰ ইছলাম ধৰ্ম প্ৰচাৰকসকলৰ ভাৰতলৈ আগমন ঘটিছিল। এই ধৰ্ম প্ৰচাৰকসকলৰ মাজত কেইজনমান চুফি সাধকো আছিল। তেওঁলোকে ভাৰতৰ বিভিন্ন ঠাইত চুফিবাদৰ মতাদৰ্শ প্ৰচাৰ কৰিছিল।

চিত্ৰ ৯.৯ নিজামুদ্দিন আউলিয়াৰ সমাধি

চুফিবাদৰ মূল মন্ত্ৰ হ'ল এক ভগৱানকে উপাসনা কৰা। চুফিসকলৰ মতে প্ৰেম আৰু একান্ত ভক্তিৰ জৰিয়তে ভগৱানক লাভ কৰিব পাৰি। চুফিবাদ উদাৰ হোৱাৰ বাবে তেওঁলোকে অন্য ধৰ্মকো সন্মানৰ চকুৰে চাইছিল। তেওঁলোকৰ মূল উদ্দেশ্য হ'ল, ভগৱৎ প্ৰেম আৰু মানৱ প্ৰেমৰ মাজেদি জীৱন অতিবাহিত কৰা। বিস্তৃত প্ৰাৰ্থনা, উপবাস, আচাৰ-অনুষ্ঠান আদি তেওঁলোকৰ মতে নিৰৰ্থক। এনে উদাৰ মনোভাৱৰ বাবে হিন্দু ধৰ্মৰ লোকসকলেও এই চুফি সাধকসকলক শ্ৰদ্ধা আৰু ভক্তি কৰিছিল। মধ্য যুগৰ এই চুফি সাধকসকলৰ ভিতৰত নিজামুদ্দিন আউলিয়া, মইনুদ্দিন চিস্তি, আব্দুল কাদিৰ জিলানী আদি উল্লেখযোগ্য। আজমীৰৰ মইনুদ্দিন চিস্তিৰ দৰগাহ সেয়েহে আজিও হিন্দু-মুছলমান উভয়ৰে মিলন ক্ষেত্ৰ আৰু পবিত্ৰ তীৰ্থ স্থান।

ক্ৰিয়াকলাপ ঃ

- "ভক্তিবাদে ভাৰতীয় সমাজত সাহিত্য-সংস্কৃতিৰ আহিলা সংযোজন কৰিছে।"— কথাশাৰীৰ তাৎপৰ্য বিশ্লেষণ কৰা।

নব্য ধৰ্মীয় আন্দোলনৰ প্ৰভাৱ ঃ

মধ্যযুগৰ এই ভক্তিবাদ আৰু চুফিবাদ আন্দোলনে কেৱল যে আধ্যাত্মিক দিশতহে অৰিহণা যোগাইছিল এনে নহয়। এই আন্দোলনে সামাজিক দিশতো ব্যাপক প্ৰভাৱ পেলাইছিল। এই আন্দোলনৰ ফলস্বৰূপে জাতিভেদ, উচ্চ-

নীচ, সৰু-বৰ ভাব আৰু আচাৰ-অনুষ্ঠানৰ বাহুল্যতা বহুখিনি হ্ৰাস পাইছিল। উদাৰ মানৱীয় দৃষ্টিভংগী ভক্তিবাদৰ ভেটি হোৱাৰ বাবে নাৰীয়েও পুৰুষৰ লগত একে লগে ধৰ্ম চৰ্চা আৰু প্ৰচাৰৰ সুবিধা লাভ কৰে। হিন্দু-মুছলমানৰ মাজত ঐক্য-সংহতি বৃদ্ধি কৰাত ভক্তি আন্দোলনে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।

আঞ্চলিক ভাষাৰ উথান এই আন্দোলনৰ অন্য এক যোগাত্মক দিশ আছিল। সংস্কাৰকসকলে তেওঁলোকৰ মতবাদসমূহ সকলোৱে বুজিব পৰাকৈ আঞ্চলিক ভাষাৰ যোগেদি প্ৰচাৰ কৰিছিল। যাৰ ফলত হিন্দী, বঙলা, মাৰাঠী, মৈথেলী, তামিল, অসমীয়া, ব্ৰজাবলী আদি ভাষাসমূহ চহকী হৈছিল। শিখ ধৰ্মৰ উথান ভক্তিবাদ আন্দোলনৰ অন্য এক গুৰুত্বপূৰ্ণ দিশ আছিল।


চিত্ৰ ৯.১০ গুৰু নানক

সেয়েহে কোনো কোনো পণ্ডিতৰ মতে ভক্তি আন্দোলনৰ জৰিয়তে মধ্যযুগীয় ভাৰতত সামাজিক পুনৰ জাগৰণৰ আশা-আকাংখা প্ৰকাশ পাইছিল। আন এচামৰ মতে ভক্তিবাদ হৈছে ধৰ্মীয় দৃষ্টিভংগী প্ৰকাশৰ এক মাধ্যম। মুঠৰ ওপৰত ভক্তিবাদ হ'ল ভাৰতীয় সমাজ, সংস্কৃতি, ধৰ্ম আৰু পৰম্পৰা বিশ্লেষণৰ এটা প্ৰক্ৰিয়া। ভাৰতৰ ৰাষ্ট্ৰীয় ঐক্য, সংহতি স্থাপন কৰাৰ ক্ষেত্ৰত ভক্তিবাদ আন্দোলনে এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

মনত ৰাখিবলগীয়া কথা

- ভগবৎ ভক্তিৰ ধাৰণা মূলতঃ খ্ৰীষ্টীয় ৮ম শতিকাৰ পৰা আৰম্ভ হোৱা ভক্তিবাদ আৰু চুফিবাদ আন্দোলনৰ প্ৰভাৱ আছিল।
- দাক্ষিণাত্যৰ তামিল ৰাজ্যত আলভাৰচ্ আৰু নায়নাৰ সম্প্ৰদায়ৰ নেতৃত্বত পোন প্ৰথমে ভক্তি আন্দোলনৰ ভাব ধাৰাৰ সুচনা হয়।
- মধ্য যুগত ভাৰতত ইছলাম ধৰ্মৰ আবিৰ্ভাৱে ভক্তি আন্দোলন জাগৰণত অৰিহণা যোগাইছিল।
- ভক্তি আন্দোলনৰ মূল গুৰি ধৰোতাসকল আছিল— ৰামানন্দ, জ্ঞানদেৱ, নামদেৱ, একনাথ, কবীৰ, মীৰাবাঈ, সুৰদাস, তুলসীদাস, নানক, শ্ৰীমন্ত শংকৰদেৱ আদি।
- শংকৰদেৱৰ ভক্তি আন্দোলনে বৃহৎ অসমীয়া সমাজখনক একত্ৰিত কৰাত সহায় কৰিছিল।
- ভাৰতত ভক্তিবাদ আন্দোলনৰ সম-সাময়িকভাৱে ইছলাম ধৰ্মত এক উদাৰনৈতিক চুফিবাদ আন্দোলনেও গা কৰি উঠিছিল।
- ভক্তিবাদৰ মূল কথা হ'ল ঈশ্বৰ এজন আৰু ভক্তিভাৱে ভগৱানৰ নাম আৰাধনা কৰিলেই ভগৱানৰ আশিস লাভ কৰিব পাৰি।
- ভক্তি আন্দোলনে ভাৰতৰ ঐক্য-সংহতি ৰক্ষা, আঞ্চলিক ভাষাৰ প্ৰসাৰ আৰু শিখ ধৰ্মৰ উথানত প্ৰভূত অৰিহণা যোগাইছিল।

অনুশীলনী

১। উত্তৰ লিখা—

(ক) ভক্তিবাদ বুলিলে কি বুজায়?

(খ) ভক্তিবাদ আন্দোলন গঢ়ি উঠাৰ দুটা কাৰণ কি কি?

(গ) 'দিব্য প্ৰবন্ধম' কি?

(ঘ) উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ গুৰি ধৰোতা চাৰিগৰাকী ব্যক্তিৰ নাম লিখা।

(ঙ) শংকৰদেৱৰ মতে মানুহে কেনেকৈ মুক্তি লাভ কৰিব পাৰে।

২। উপযুক্ত শব্দেৰে তলৰ খালী ঠাই পূৰ কৰা—

(ক) শঙ্কৰাচাৰ্য আছিল ________ বিশ্বাসী।

(খ) খ্ৰীষ্টীয়________ পৰা ভাৰতত ইছলাম ধৰ্মাবলম্বী তুৰ্কী-আফগানসকলৰ আৰ্বিভাৱ ঘটিছিল।

(গ) ৰামানন্দৰ মূল উপাস্য দেৱতা আছিল ________।

(ঘ) তুলসীদাসক ________ বুলি গণ্য কৰিছিল।

(ঙ) গীত গোবিন্দত শ্ৰীকৃষ্ণৰ লীলাৰ ________ আৰু গৰিমা প্ৰচাৰ কৰা হৈছে।

৩। চমু টোকা লিখা—

(ক) শঙ্কৰাচাৰ্য (খ) জ্ঞানদেৱ (গ) ৰামানন্দ (ঘ) নানক (ঙ) মীৰাবাঈ।

৪। আলভাৰ্‌চসকল কোন? তেওঁলোকৰ মূল ধৰ্মমত কি আছিল?

৫। চুফিবাদৰ মূলমন্ত্ৰ কি আছিল? ভাৰতত চুফিবাদ প্ৰসাৰত ভূমিকা লোৱা দুগৰাকী ব্যক্তিৰ নাম উল্লেখ কৰা।

৬। কবীৰ কিয় হিন্দু আৰু ইছলাম ধৰ্মী সকলো লোকৰ মাজত জনপ্ৰিয় আছিল?

৭। ভক্তি আন্দোলনৰ নেতাসকলে ধৰ্মৰ উপৰি সমাজ সংস্কাৰৰ কাম হাতত লোৱাৰ উদ্দেশ্য কি আছিল?

৮। ভাৰতবৰ্ষত ভক্তি আন্দোলন জনপ্ৰিয় হোৱাৰ কাৰণ কি?

৯। শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সমাজলৈ আগবঢ়োৱা অৰিহণাৰ বিষয়ে ৫০টা মান শব্দৰ ভিতৰত এটি টোকা প্ৰস্তুত কৰা।